## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ ষষ্ঠ   বিষয় ঃ ভাষা-১ (অসমীয়া)   প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ), ২০১৯ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - ব্যাৱহাৰিক ব্যাকৰণ (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

- ⇨ ছাত্ৰ-ছাত্ৰীসকলে জতুৱা ঠাঁচৰ অৰ্থ জানিব।
- ⇨ বাক্যত থকা জতুৱা ঠাঁচৰ প্ৰয়োগ চিনি পাব আৰু সেইবোৰৰ অৰ্থ জানিব পাৰিব।
- ⇨ নিজৰ দৈনন্দিন  লিখন শৈলীত জতুৱা ঠাঁচ ব্যৱহাৰ কৰিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ - ২০১৯)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) সবাতোকৈ আপোন | - | পাঠ নং ১ |
| খ) বুধিয়ক বীৰবল | - | পাঠ নং ২ |
| গ) অসমীয়া ভাষাৰ বিকাশৰ কথা | - | পাঠ নং ৩ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত “শিক্ষাৰ অধিকাৰ আইন ২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

এই সমলটোত ব্যাৱহাৰিক ব্যাকৰণ যেনে — জতুৱা ঠাঁচৰ অৰ্থ নাজানা বা সেইবোৰৰ সাহিত্যত প্ৰয়োগ হৈ থকাটো  চিনিব নোৱৰা; আনকি নিজৰ লেখনীত সেইবোৰ প্ৰয়োগ কৰিব নোৱাৰা আদি বিবিধ ধূসৰ ক্ষেত্ৰৰ যথাসম্ভৱ নিৰাময়ৰ উপায় হিচাপে বিবিধ ক্ৰিয়া-কলাপ উপস্থাপন কৰি ব্যাকৰণৰ জ্ঞানক বোধগম্য স্তৰলৈ ত্বৰান্বিত কৰিবলৈ প্ৰয়াস কৰিছোঁ। আমাৰ শিক্ষক সমাজে এই সমলসমূহৰ আলমত নিজা-ববীয়াকৈ নতুন চিন্তা চৰ্চাৰে ভাষা শিক্ষা প্ৰদানক গতিশীল কৰিব তুলিব পাৰিব। ইয়াৰ জৰিয়তে শ্ৰেণীসমূহত পাঠৰ সৈতে মিলাই আনন্দদায়ক পৰিৱেশ সৃষ্টি কৰি শিক্ষণ ফলাফলক এক প্ৰভাৱশালী দিশলৈ নিব পাৰিব।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

- ⇨ ভাষাৰ শুদ্ধতাৰ বাবে ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞান অপৰিহাৰ্য্য। আমাৰ শিশুসকলে যাতে জতুৱা ঠাঁচৰ ব্যৱহাৰ জানি বাক্যত ব্যৱহাৰ কৰিব পাৰে, আমি শিক্ষকসকলে তেনে পৰিকল্পনা  ল’ব লাগিব।
- ⇨ বিবিধ ক্ৰিয়া-কলাপৰ জৰিয়তে জতুৱা ঠাঁচৰ সঠিক ব্যৱহাৰ শিকিব পাৰিম। লগতে সেইবোৰৰ মাজেৰে অন্য সাহিত্য ৰচনাত অৰিহণা যোগাব পাৰিম।
- ⇨ সৃষ্টিশীল লিখনিৰ জৰিয়তে নিজৰ ভাব-অনুভূতি, যুক্তি আবেগৰ সৃজনীশক্তিৰ পৰিচয় দিব পাৰিব।
- ⇨ স্ব-মূল্যায়নৰ জৰিয়তে নিজৰ দোষ-ক্ৰুটিবোৰ আঁতৰাই এটা বিজ্ঞানসন্মত শিক্ষণ পদ্ধতি গ্ৰহণ কৰিব পাৰিম।
- ⇨ শিক্ষা প্ৰদানৰ কৌশলগত পৰিৱৰ্তনেৰে শিশুক ভাষা শিকনত সহায় কৰিব পাৰিম।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি কি শিকিব পাৰিম—**

- ⇨ এই সমলটোৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক জতুৱা ঠাঁচৰ প্ৰয়োগ কেনেদৰে শিকাব লাগে সেয়া আমি জানিব পাৰিম।

⇨ ভাষাৰ কথন আৰু লিখনত জতুৱা ঠাঁচ কেনেদৰে প্ৰয়োগ কৰিব লাগে, — বাক্যৰ মাজেৰে সেইবোৰ শিকিব পাৰিম।

⇨ জতুৱা ঠাঁচৰ লগতে সেইবোৰৰ সমাৰ্থক শব্দ জানি ছাত্ৰ-ছাত্ৰীসকলৰ শব্দ ভাণ্ডাৰ শক্তিশালী কৰিব পাৰিম।

⇨ ভাষা সাহিত্য ৰচনাত জতুৱা ঠাঁচে কেনেদৰে ভাষা ৰস আস্বাদনত সহায় কৰে, তাৰ বিষয়ে জানিব পাৰিব।

⇨ পাঠ বহিৰ্ভূত লিখনিসমূহত প্ৰয়োগ হৈ থকা জতুৱা ঠাঁচবোৰৰ অৰ্থ উদ্‌ঘাটন কৰি সেইবোৰৰ সমাৰ্থক নিৰ্ণয় কৰিব পাৰিম।

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

⇨ শিক্ষকে ভাষাত ক্ৰিয়া পদৰ ভূমিকা আৰু তাৰ লগত যুক্ত পদেৰে সৃষ্টি হোৱা জতুৱা ঠাঁচে অৰ্থ সলনি হোৱাত কি ভূমিকা লয়?

⇨ স্ব-ৰচিত বাক্যত জতুৱা ঠাঁচৰ প্ৰয়োগেৰে ভাষাৰ লালিত্য বঢ়াই তুলিবলৈ শিক্ষকে কেনেধৰণৰ সঁজুলি যোগাৰ কৰি ল'ব?

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল —**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| জতুৱা ঠাঁচৰ অৰ্থ জানিব। বাক্যত সেইবোৰৰ প্ৰয়োগ চাই বাক্যাৰ্থ উলিয়াব পাৰিব। মান্য ভাষাত সেইবোৰৰ সমাৰ্থক শব্দ জানিব।<br><br>ছাত্ৰ-ছাত্ৰীসকলে জতুৱা ঠাঁচৰ অৰ্থবোধৰ দ্বাৰা দৈনন্দিন লিখন কাৰ্যত সেইবোৰৰ প্ৰয়োগ কৰি ভাষাৰ লালিত্য ব্যৱহাৰ কৰিব পাৰিব। | পাঠ্যপুথি ঃ অংকুৰণ (ষষ্ঠভাগ) — জতুৱা ঠাঁচৰ অৰ্থ থকা চাৰ্ট, — বোৰ্ড, চ'ক, ডাষ্টাৰ। | ১) এককভাৱে<br>২) জুৰীয়াভাৱে<br>৩) দলগতভাৱে | ১) তলৰ বাক্যবোৰত ব্যৱহাৰ হোৱা জতুৱা ঠাঁচবোৰৰ অৰ্থ লিখা?<br>**কৈকেয়ীৰ মন্ত্ৰণাত ৰামচন্দ্ৰৰ কপাল ফুটিল। তেওঁ ৰাজকাৰ্যত হাত ধুলে। ৰামচন্দ্ৰ বেছ বুকু ডাঠ পুৰুষ। তেওঁ মুখ পাতি নধৰি ভৰতকে ৰাজপাত খাবলৈ দিলে। ভৰতকেই ৰাজকাৰ্যত চকু দিবলৈ পৰামৰ্শ দিলে। ভৰতৰ কপাল ফুলিল। সীতাৰ সৈতে কাণ-সমনীয়া লক্ষ্মণক লগত লৈ প্ৰজাৰ আঠু লৈ ৰামচন্দ্ৰই বনলৈ যাত্ৰা কৰিলে। প্ৰজাসকলে সপত্নীক ৰামচন্দ্ৰক সুৰুজ নদীৰ পাৰত হিয়া ধাকুৰী বিদায় দিলে। পুত্ৰই বনলৈ যোৱাৰ দুখত দশৰথেও চকু মুদিলে।**<br>২) তলত দিয়া শব্দবোৰেৰে জতুৱা ঠাঁচ প্ৰস্তুত কৰা —<br>কথা, চকু, হিয়া, হাত, আঠুঁ। (পাঠ্যপুথিৰ আধাৰত)<br>৩) উপযুক্ত জতুৱা ঠাঁচেৰে বাক্যটো পূৰণ কৰা —<br>⇨ হৰিধনৰ———স্বভাৱৰ বাবে সকলোৰে বেয়া পায় (হাত দীঘল/হাতলৰ)।<br>⇨ আনাহকত———ফুৰা লোকে উন্নতি কৰিব নোৱাৰে (গা ঘেলা/গা মুৰি)।<br>⇨ সুষম খাদ্যই আমাৰ———ত সহায় কৰে। (গা ধৰা/গাই বাই চা)।<br>⇨ সৈনিক সকলে সদায়———কৰি যুদ্ধ কৰে (বুকু ডাঠ/ বুকু পাতল)। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

**প্ৰস্তুতি ঃ** ছাত্ৰ-ছাত্ৰীসকলক জতুৱা ঠাঁচৰ ধাৰণা জন্মাবলৈ প্ৰভাত ৰঞ্জন নাথ মহাশয়ে তলত দিয়া ধৰণৰ সঁজুলি কিছুমান তৈয়াৰ কৰি ল'লে —

- ⇨ এফালে কিছুমান নিৰ্বাচিত জতুৱা ঠাঁচৰ শব্দ, আনফালে সেইবোৰৰ অৰ্থ থকা সমাৰ্থক শব্দৰ তালিকা।
- ⇨ জতুৱা ঠাঁচ ব্যৱহাৰ নকৰাকৈ কেইটামান বাক্য। সেইবোৰত জতুৱা ঠাঁচ প্ৰয়োগেৰে নতুনত্ব দিয়া বাক্যৰ চাৰ্ট।
- ⇨ জতুৱা ঠাঁচ ব্যাৱহাৰ কৰি বাক্য ৰচনা কৰা চাৰ্ট।
- ⇨ পাঠ বহিৰ্ভূত লেখা।

আমি নাথ চাৰৰ জতুৱা ঠাঁচ শিকোৱা পদ্ধতিটো চাওঁ আহক —

'মই ষষ্ঠ শ্ৰেণীৰ ভাষা বিষয়ৰ শিক্ষক। ভাষাৰ দক্ষতা বৃদ্ধিৰ বাবে মই বিবিধ পদ্ধতি ব্যৱহাৰ কৰোঁ; যাতে ছাত্ৰ-ছাত্ৰীসকলে ব্যাকৰণৰ জ্ঞানেৰে সমৃদ্ধ হৈ লিখন কলাত পাৰদৰ্শীতা লাভ কৰিব পাৰে। এনে মানসিকতাৰে মই এদিন শ্ৰেণীকক্ষৰ বোৰ্ডত লিখি দিলোঁ —

**'কৈকেয়ীৰ মন্ত্ৰণাত ৰামচন্দ্ৰৰ কপাল ফুটিল। তেওঁ ৰাজকাৰ্যত হাত ধুলে। ৰামচন্দ্ৰ বেছ বুকু ডাঠ পুৰুষ। তেওঁ মুখ পাতি নধৰি ভৰতকে ৰাজপাত খাবলৈ দিলে। ভৰতকেই ৰাজকাৰ্যত চকু দিবলৈ পৰামৰ্শ দিলে। ভৰতৰ কপাল ফুলিল। সীতাৰ সৈতে কাণ-সমনীয়া লক্ষ্মণক লগত লৈ প্ৰজাৰ আঠু লৈ ৰামচন্দ্ৰই বনলৈ যাত্ৰা কৰিলে। প্ৰজাসকলে সপত্নীক ৰামচন্দ্ৰক সুৰুজ নদীৰ পাৰত হিয়া ধাকুৰী বিদায় দিলে। পুত্ৰই বনলৈ যোৱাৰ দুখত দশৰথেও চকু মুদিলে।'**

বোৰ্ডত লিখা স্তৱকটো ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিলোঁ। প্ৰথমতে তেওঁলোকে পঢ়িলে যদিও বাক্যৰ অৰ্থবোধ ভালদৰে নহ'ল। তেওঁলোকে পঢ়োঁতে শব্দৰ মায়াজালত অৰ্থ বিচাৰি ভ্ৰমি ফুৰিছিল। এইবাৰ মই ছাত্ৰ-ছাত্ৰীসকলক পাচঁজনকৈ একোটা গোট গঠন কৰি মুঠ ছটা গোটত সকলো ছাত্ৰ-ছাত্ৰীকে সামৰি গোট গঠন কৰি উলিয়ালোঁ। এতিয়া প্ৰতিটো গোটকে নিজৰ ভিতৰত বোৰ্ডৰ বাক্যবোৰ পঢ়ি তাত আচঁ টনা শব্দবোৰৰ সাম্ভাব্য অৰ্থ উলিয়াই লিখিবলৈ দিলোঁ। বহুকেইটা দলে সকলো শব্দৰ অৰ্থ উলিয়াব পৰা নাছিল। বহুতে আকৌ আচঁ টনা শব্দৰ অৰ্থ আনুমানিক ভাৱে লিখিছিল।

এইবাৰ তলৰ তালিকাখন জতুৱা ঠাঁচবোৰ দেখুৱাই সেইবোৰৰ বিপৰীতে থকা অৰ্থবোৰ আলোচনাৰ মাজেৰে পঢ়িবলৈ দিলোঁ। তালিকাখন এনে ধৰণৰ —

| জতুৱা ঠাঁচ | সমাৰ্থক শব্দ |
|---|---|
| আঠু ল | সন্মান দেখুওৱা |
| কথা ক | স্বীকাৰ কৰা |
| কথা হ | আলোচনা কৰা |
| কথা চোৰাৱা | অনাৱশ্যক ভাৱে কথা পাতি থকা |
| কথা চহকী | বহুকথা কোৱা |
| কপাল ফুটা | দুৰ্ভাগ্য উপস্থিত হোৱা |
| কপাল ফুলা | সৌভাগ্য আহি পৰা |
| বুকু ডাঠ | সাহসী |
| মুখ পাতি ধৰা | উফৰাই কাজিয়া কৰা |
| কাণ-সমনীয়া | ডেকা, যুৱক (একে যোৰৰ) |

| | |
|---|---|
| চকু দিয়া | মনোযোগ দিয়া |
| চকু মুদা | মৃত্যু হোৱা |
| গা-লগা | মন দিয়া |
| হিয়া ধাকুৰী | শোকত বুকুত হাতেৰে ভুকুৱাই কন্দা |
| হাত ধুৱা | ত্যাগ কৰা |

এতিয়া পূৰ্বৰ জতুৱা ঠাঁচ প্ৰয়োগ কৰা স্তৱকটোক পুনৰ তালিখনৰ ভিত্তিত অৰ্থ কৰিবলৈ দিলোঁ। এতিয়া ছাত্ৰ-ছাত্ৰীসকলে বাক্যৰ গুঢ়াৰ্থ বুজি বাক্যৰ ৰস আস্বাদন কৰিলে।

ইয়াৰ পাছত প্ৰতিটো দলকে জতুৱা ঠাঁচবোৰৰ ভিতৰৰ পৰা যিকোনো দুটা জতুৱা ঠাঁচ বাছি সেইবোৰৰ আধাৰত প্ৰতিজনকে দুটাকৈ বাক্য সাজি পঢ়িবলৈ দিলোঁ। এনেদৰে ছাত্ৰ-ছাত্ৰীসকলে সকলোবোৰ জতুৱা ঠাঁচ আলমত আলোচনাৰে নতুন নতুন বাক্যৰচনা কৰিব পাৰিলে। এনে অনুশীলনেৰে ছাত্ৰ-ছাত্ৰীসকলৰ শব্দ ভাণ্ডাৰ চহকী হ'ল। বিশেষ অসুবিধা পোৱা জতুৱা ঠাঁচসমূহৰ বাক্যবোৰ মই দেখুৱাই দি বা কৈ দি বা বুজাই দি সহায় কৰি দিছিলোঁ।

**চিন্তা কৰি চাওঁ আহক ঃ**

➪ জতুৱা ঠাঁচৰ চাৰ্টখনে নাথ ছাৰক কিবা সহায় কৰিলেনে?

➪ দলগঠন কৰি পাঠদান কৰা কাৰ্যই শিক্ষাৰ্থীক কিবা সহায় কৰিছেনে? সেয়া যুক্তি যুক্ত নে?

➪ শ্ৰেণীকক্ষক আনন্দদায়ক পৰিৱেশলৈ ত্বৰান্বিত কৰাত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণে শিক্ষণক সহায় কৰিছে নে?

➪ আমিও এনেধৰণৰ ক্ৰিয়া-কলাপেৰে শ্ৰেণীকক্ষতো ভাষা শিকনৰ বাবে জীৱন্ত কৰিব পাৰোঁনে?

➪ শিকন দুৰ্বলতা সমূহ আতঁৰাবলৈ নতুন উদ্ভাৱনীমূলক পৰিকল্পনা ল'ব পাৰোঁ নে?

**ক্ৰিয়া-কলাপ - ১**

তলত কৰিবলগীয়া ক্ৰিয়া-কলাপটোৰ বাবে সামগ্ৰীসমূহ প্ৰয়োগৰ হ'ব —

**শিক্ষণ-শিকন সামগ্ৰী —**

➪ অংকুৰণ (ষষ্ঠ শ্ৰেণী )

➪ বগা চাৰ্ট পেপাৰ

➪ বোৰ্ড

➪ লিখন সঁজুলী।

প্ৰথমে মই জতুৱা ঠাঁচৰ ধাৰণাৰে সমাৰ্থক শব্দৰো বোধ দিবলৈ গৈ শ্ৰেণীকক্ষত কথন পদ্ধতিৰে জতুৱা ঠাঁচৰ ব্যৱহাৰ কৰি ভাব আদান প্ৰাদান কৰি অভিৰোচন কৰিলোঁ। যাতে অসজা লগা বাক্য কথনে তেওঁলোকক চিন্তাৰ উদ্ৰেক কৰিব পাৰে।

প্ৰতিটো দলক পূৰ্বৰ জতুৱা ঠাঁচৰ তালিকাৰ পৰা বাক্য ৰচনা কৰিবলৈ দি সেইবোৰৰ শুদ্ধাশুদ্ধ দলৰ ভিতৰত মূল্যায়ন কৰিবলৈ দিব। তেনে কৰিলে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ভুল জানিব পাৰিব আৰু শব্দাৰ্থ জানিব পাৰিব।

ছাত্ৰ-ছাত্ৰীসকলক জতুৱা ঠাঁচৰ ব্যৱহাৰ শিকিবলৈ তলৰ বাক্যবোৰ দি সেইবোৰত থকা আঁচ টনা শব্দবোৰৰ সলনি জতুৱা ঠাঁচ ব্যৱহাৰ কৰিবলৈ দিব।

**উদাহৰণ ঃ** প্লাষ্টিক গিলাচৰ ব্যৱহাৰে কুমাৰৰ জীৱিকা নোহোৱা কৰিলে। (জতুৱা ঠাঁচ ব্যৱহাৰ নকৰি)
প্লাষ্টিক গিলাচৰ ব্যৱহাৰে কুমাৰৰ ভাত মাৰিলে। (জতুৱা ঠাঁচ ব্যৱহাৰ কৰি)

তলৰ জতুৱা ঠাঁচবোৰৰ একোটাকৈ বিপৰীতে সমাৰ্থক শব্দ লিখা —

**উদাহৰণ ঃ**

| **জতুৱা ঠাঁচ** | **সমাৰ্থক শব্দ** |
|---|---|
| হাত-লৰ | চোৰ |
| হাঁড়ত বন গজা | বহুপূৰ্বে মৃত্যু হোৱা |

শিক্ষকে তলৰ বাক্যটোত কোনটো শুদ্ধ জতুৱা ঠাঁচ বহিব তাক নিৰ্ণয় কৰিব দিব।

**উদাৰহণ ঃ** ৰাজেন এজন ———লোক। (হাত-পাত/হাত-দীঘল)

তেওঁ দাতা হিচাপে সমাজত ————(নাম-ডুৱা/নাম-জ্বলা)লোক।

শিক্ষকে এই আৰ্হিৰ আধাৰতে বিবিধ কাৰ্যকলাপেৰে জতুৱা ঠাঁচ আৰু সেইবোৰৰ সমাৰ্থক আৰু প্ৰয়োজন সাপেক্ষে তৎসম আৰু তৎভব আদি শব্দৰ ব্যাকৰণৰ ভিত্তিত আলোচনা কৰিব। যিহেতু এই নিৰ্দিষ্ট পাঠসমূহে ব্যাকৰণৰ এই বিষয়বোৰ সামৰি লৈছে। গতিকে আমি একেটা সমলৰ ভিতৰতে সংক্ষিপ্ত ভাৱে সকলোবোৰ ধুসৰ বিষয়কে অন্তৰবৰ্তি পাঠসমূহৰ ক্ৰিয়া-কলাপৰ মাজেদি দাঙি ধৰিবলৈ চেষ্টা কৰিছো।

বিবিধ জতুৱা ঠাঁচ জানিবলৈ তলৰ ক্ৰিয়া-কলাপ অভ্যাস কৰিব —

| **জতুৱা ঠাঁচ** | **সমাৰ্থক শব্দ** |
|---|---|
| নাম জলা | প্ৰখ্যাত হোৱা |
| ভাত মাৰ | জীৱিকা নষ্ট কৰা |
| মন খা | পচন্দ কৰা |
| হাত সাৰ | ৰক্ষা পোৱা |
| হাত দীঘল | ক্ষমতাশালী |
| হাঁড়ত বন-গজা | বহুদিন আগতে মৰা |
| মুখ-পাতি ধৰা | প্ৰতিবাদ কৰা |

জতুৱা ঠাঁচ জানি সেইবোৰ ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীসকলক বাক্য লিখিবলৈ দিব।

***বিঃদ্ৰঃ - বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীক শিক্ষকে গুৰুত্ব দিব। যাতে তেওঁলোকেও জ্ঞান ছাত্ৰ-ছাত্ৰীৰ লগত সমানে আগবাঢ়ি যাব পাৰে।***

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান দৃঢ়ীকৰণৰ বাবে তলত দিয়া কাৰ্যকলাপ কৰিব পাৰে। তলত প্ৰশ্ন আকাৰে দিয়া হ'ল —

১) প্ৰশ্ন ঃ তলৰ বাক্যবোৰত থকা আঁচ টনা শব্দবোৰৰ সলনি সমাৰ্থক শব্দ দি প্ৰকাশ কৰা —

ক) চোৰটোৱে মানুহৰ উমান পাই <u>গা ঢকা</u> দিলে।

খ) <u>কান বাগৰি অহা</u> সংবাদটোৰ সত্যতা বিচাৰ কৰিবা।

গ) <u>ঘৰগোনা</u> লোকৰ বিকাশ নহয়।

২) প্ৰশ্ন ঃ উপযুক্ত জতুৱা ঠাঁচেৰে বাক্যটো পূৰণ কৰা —

ক) মহাত্মা গান্ধী...................লোক আছিল। (হাত-দীঘল/হাত লৰ)

খ) অনাহকত...................ফুৰা লোকৰ উন্নতি নহয়। (গা-ঘেলা/গা-মুৰি)

গ ) সুষম আহাৰে আমাৰ...................ত সহায় কৰে। (গা-ধৰা/গাই-বাই চা)

৩) প্ৰশ্ন ঃ জতুৱা ঠাঁচ ব্যৱহাৰ কৰি একোটাকৈ বাক্য লিখা—

হাত সাৰ, হাত ধুবা, কথা চবোৱা, গা-লাগিব।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

প্ৰশ্ন ঃ পাঠ্যপুথিৰ পৰা জতুৱা ঠাঁচ বাছি উলিয়াই সেইবোৰৰ অৰ্থ লিখা।

প্ৰশ্ন ঃ বাক্য ৰচনা কৰা —

হাত-পাত, হাত-লৰ, চকু-ৰাখ, চকু-চৰহা, খাই পাত-ফলা।

প্ৰশ্ন ঃ সমাৰ্থক শব্দ লিখা —

| জতুৱা ঠাঁচ | সমাৰ্থক শব্দ |
|---|---|
| হাত-পাত | |
| চকু-চৰহা | |
| চকু ৰাখ | |
| খাই পাত-ফলা | |

**প্ৰসঙ্গ পুথি ঃ**

- ⇨ পাঠ্যপুথি — অংকুৰণ (ষষ্ঠ শ্ৰেণী)
- ⇨ অসমীয়া ব্যাকৰণ প্ৰৱেশ — ড° গোলক চন্দ্ৰ গোস্বামী।
- ⇨ বহল ব্যাকৰণ — সত্যনাথ বৰা।
- ⇨ ৰচনা বিচিত্ৰা — ধৰ্ম সিংহ ডেকা।

*******